**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। বিদেশী বিনিয়োগকাৰীক ৰাজ্যখনলৈ আকৰ্ষণৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি ছিংগাপুৰত কেইবাটাও কাৰ্যসূচী।

২। এডভাণ্টেজ আছামৰ পৰিপ্ৰেক্ষিতত আইন-শৃংখলা অটুট ৰাখিবলৈ গুৱাহাটীত শোভাযাত্ৰা, সমদল আদি নিষিদ্ধ ঘোষণা।

৩। হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন জিলাত প্ৰশাসনৰ নীতি-নিৰ্দেশনা।

৪। অসমকে ধৰি অন্যান্য ৰাজ্যত আক্ৰমণাত্মক প্ৰজাতিৰ মাছ এৰি দিয়া সন্দৰ্ভত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণৰ কেন্দ্ৰীয় চৰকাৰলৈ জাননী জাৰি। **আৰু**

৫। ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ মহিলা দল আজি নেট বলৰ ছেমি ফাইনেলত অৱতীৰ্ণ।

oooooo

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা যোৱা নিশা ছিংগাপুৰত উপস্থিত হয়। ছিংগাপুৰত উপস্থিত হোৱাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীক ভাৰতৰ উচ্চায়ুক্ত ড০ শিল্পক আম্বুলেই আদৰণি জনায়। এই ভ্ৰমণৰ সময়ছোৱাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই ছিংগাপুৰ চৰকাৰ আৰু দেশখনৰ উদ্যোগপতিসকলৰ সৈতে আলোচনাত মিলিত হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা ৰোড শ্ব'তো অংশগ্ৰহণ কৰাৰ লগতে বাণিজ্যিক সহযোগিতা আৰু বিনিয়োগৰ সুযোগ অন্বেষণ কৰিবলৈ প্ৰতিষ্ঠিত উদ্যোগপতিসকলৰ সৈতে কেইবাখনো পৃথক বৈঠকত অংশগ্ৰহণ কৰিব। ইপিনে অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে হ'বলগীয়া এডভাণ্টেজ আছামৰ বাবে ৰাজ্যত ব্যাপক প্ৰস্তুতি অব্যাহত আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী আৰু ভালেসংখ্যক দেশী-বিদেশী উদ্যোগীয়ে অংশগ্ৰহণ কৰিবলগীয়া এই সন্মিলনখন নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

oooooo

এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত আইন-শৃংখলা ব্যৱস্থা শক্তিশালী কৰি তোলা হৈছে। এই সন্মিলনৰ বাবে আৰক্ষীয়ে গুৱাহাটীত শোভাযাত্ৰা, সমদল আদি নিষিদ্ধ ঘোষণা কৰিছে। মহানগৰ আৰক্ষীয়ে কালি এটা নিৰ্দেশ যোগে এই বিষয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে এনেধৰণৰ শোভাযাত্ৰা, সমদলকে ধৰি সমূহীয়া কাৰ্যসূচীৰ ফলত মহানগৰীত ভীষণ যান-জটৰ সৃষ্টি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি সন্মিলনৰ পূৰ্বে এনেধৰণৰ কাৰ্যসূচী নিষিদ্ধ কৰা হৈছে। উল্লেখযোগ্য যে কালি কেইবাগৰাকীও মন্ত্ৰীয়ে

পৰ্যালোচনা বৈঠকত অংশ লৈ ৰাজ্যৰ নিৰাপত্তা আৰু সুৰক্ষাজনিত দিশসমূহৰ বুজ লোৱাৰ লগতে কোনো ক্ষেত্ৰতে যাতে অভ্যাগতসকল সমস্যাৰ সন্মুখীন নহয় সেই কথা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিছিল।

০০০০০০

দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়াই চীনদেশে তিববতত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলৈ লোৱা বিশ্বৰ সৰ্ববৃহৎ নদীবান্ধ সম্পৰ্কত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। কালি লোকসভাত এটা দৃষ্টি আকৰ্ষণকাৰী প্ৰসংগ উত্থাপন কৰি সাংসদ শইকীয়াই এই বান্ধ নিৰ্মাণ হ'লে অসম, অৰুণাচল প্ৰদেশ আৰু বাংলাদেশৰ পাৰিপাৰ্শ্বিকতাৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিব বুলি আশংকা প্ৰকাশ কৰে। তেওঁ কয়, যে দক্ষিণ এছিয়াৰ এই অঞ্চলটো ভূমিকম্প আৰু বানকে ধৰি অতিশয় দুৰ্যোগপ্ৰবন অঞ্চল। এই বান্ধৰ লগতে চীনে বৃহৎ আকাৰৰ জলাধাৰ নিৰ্মাণৰো প্ৰস্তাৱ কৰিছে বুলি তেওঁ উল্লেখ কৰে। সাংসদগৰাকীয়ে অঞ্চলটোৰ পৰিৱেশ আৰু সভ্যতা-সংস্কৃতি ৰক্ষা কৰাৰ স্বাৰ্থত বিষয়টো কূটনৈতিকভাৱে চীন দেশৰ সৈতে বিষয়টো আলোচনা কৰিবলৈ ভাৰত চৰকাৰক আহ্বান জনায়।

০০০০০০

সমাগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা  অনুষ্ঠিত কৰাৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি গোলাঘাটৰ জিলা দণ্ডাধীশে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনুসৰি পৰীক্ষাকেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত ছাত্ৰ-ছাত্ৰী আৰু কৰ্তৃত্বশীল ব্যক্তিৰ বাহিৰে ৩ জন বা ততোধিক ব্যক্তিৰ সমাগম নিষিদ্ধ কৰা হৈছে। একে দূৰত্বৰ ভিতৰত বিস্ফোৰক বা সন্দেহজনক সামগ্ৰী নিয়া, অবৈধভাৱে পাৰ্কিং কৰা, লাউডস্পীকাৰ বজোৱা, ইলেকট্ৰনিক সামগ্ৰীৰ ব্যৱহাৰকে ধৰি কেইবাটাও ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই নিষেধাজ্ঞা এতিয়াৰে পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা শেষ নোহোৱা পৰ্যন্ত বাহাল থাকিব।

০০০০০০

পৰহিলৈৰ পৰা হ'বলগীয়া হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়া জিলাত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰসমূহৰ ৫০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত জনসাধাৰণৰ সমাগম নিষিদ্ধ কৰা হৈছে। ইয়াৰ লগতে পৰীক্ষাৰ্থীসকলে মোবাইল ফোন, স্মাৰ্ট ঘড়ী, ইলেকট্ৰনিক পেন, কেলকুলেটৰ আদি সামগ্ৰী লৈ পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰিব নোৱাৰিব। পৰীক্ষা ব্যৱস্থাৰ স্বচ্ছতা, সততা আৰু শৃংখলাবদ্ধতা বৰ্তাই ৰখাৰ উদ্দেশ্যে এই নিষেধাজ্ঞা জাৰি কৰা হৈছে।

০০০০০০

নতুন দিল্লীৰ ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে মহৰ বংশবৃদ্ধি জৈৱিক নিয়ন্ত্ৰণৰ বাবে অসমকে ধৰি অন্যান্য ৰাজ্যত দুটা অতি আক্ৰমণাত্মক  প্ৰজাতিৰ মাছ এৰি দিয়া সন্দৰ্ভত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়লৈ জাননী জাৰি কৰিছে। ন্যায়াধীকৰণে এসপ্তাহৰ ভিতৰত বিষয়টো সন্দৰ্ভত উত্তৰ দিবলৈ নিৰ্দেশ দিছে। এই বিষয়টো সন্দৰ্ভত যশবীৰ সিং নামৰ ব্যক্তি গৰাকীয়ে দাখিল কৰা আবেদনৰ ভিত্তিত ন্যায়াধীকৰণৰ ন্যায়াধীশ প্ৰকাশ শ্ৰীবাস্তৱ আৰু ড০ এ ছেন্থিল ভেলৰ বিচাৰপীঠে এই নিৰ্দেশ জাৰি কৰে। উল্লেখযোগ্য যে

আবেদনকাৰীয়ে মহৰ বংশবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে দুটা অদ্ভুত প্ৰজাতিৰ মাছ গম্বুছিয়া এফিনিছ আৰু পিছিলিয়া ৰেটিকুলেতা মুকলি কৰি দিয়া সন্দৰ্ভত অভিযোগ তুলিছে। ন্যায়াধীকৰণে উল্লেখ কৰা মতে অসমৰ লগতে উত্তৰ-পূবৰ অন্য ৰাজ্যৰ নদ-নদী আৰু দেশৰ আন কেইবাখনো ৰাজ্যত মুকলি কৰি দিয়া এই প্ৰজাতি দুটাৰ মাছ ৰাষ্ট্ৰীয় জৈৱ-বৈচিত্ৰ্য প্ৰাধীকৰণে ইতিপূৰ্বে আক্ৰমণাত্মক আৰু অদ্ভুত প্ৰজাতিৰ বুলি ঘোষণা কৰিছিল। তদুপৰি ইয়াৰে এটা প্ৰজাতিক বিশ্বৰ ১০০টা ভয়ংকৰ আক্ৰমণাত্মক প্ৰজাতিৰ অন্তৰ্ভুক্ত বুলিও ন্যায়াধীকৰণে উল্লেখ কৰিছে। এই সন্দৰ্ভত চৰকাৰৰ পৰা প্ৰতিবেদন লাভ কৰাৰ পাছত অহা ৬ মে'ত পৰৱৰ্তী শুনানি লোৱা হ'ব বুলি ন্যায়াধীকৰণে প্ৰকাশ কৰিছে।

০০০০০০

মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙৰ পদত্যাগৰ পাছত ৰাজ্যখনত পৰৱৰ্তী মুখ্যমন্ত্ৰী বাচনি তথা শেহতীয়া ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভত বিজেপিৰ নেতা সম্বিত পাত্ৰই ৰাজ্যখনত দলীয় বিধায়কসকলৰ সৈতে কালি এখন বৈঠকত মিলিত হয়। শ্ৰী পাত্ৰই মণিপুৰ বিধানসভাৰ অধ্যক্ষ আৰু বিজেপিৰ বিধায়ক থকচম সত্যব্ৰতৰ সৈতে কালি ৰাজ্যখনৰ ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। ইয়াৰ পাছতে বিজেপি নেতাগৰাকীয়ে আন কেইবাগৰাকীও বিধায়কৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাৰ পাছত মণিপুৰৰ ৰাজ্যিক বিজেপি সূত্ৰই প্ৰকাশ কৰা মতে দলৰ কেন্দ্ৰীয় নেতৃত্বই ৰাজ্যখনৰ পৰিস্থিতি সন্দৰ্ভত শীঘ্ৰে সিদ্ধান্ত গ্ৰহণ কৰিব। সূত্ৰটোৱে প্ৰকাশ কৰা মতে ৰাজ্যখনত শান্তি আৰু সম্প্ৰীতি অক্ষুণ্ণ ৰখাটো অগ্ৰাধিকাৰৰ বিষয় হিচাপে লোৱা হৈছে। আমাৰ আগৰ বাতৰিত কোৱা হৈছে, যে মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে দেওবাৰে ৰাজ্যপাল অজয় কুমাৰ ভাল্লাক সাক্ষাৎ কৰি পদত্যাগ পত্ৰ দাখিল কৰিছিল। ৰাজ্যপাল গৰাকীয়ে মুখ্যমন্ত্ৰীগৰাকীক পৰৱৰ্তী মুখ্যমন্ত্ৰী বাচনি নকৰা পৰ্যন্ত দায়িত্ববাহী মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ চলাই যাবলৈ আহ্বান জনোৱাৰ লগতে এই সন্দৰ্ভত কেন্দ্ৰলৈ প্ৰতিবেদন প্ৰেৰণ কৰিছিল। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰীগৰাকীৰ পদত্যাগৰ পৰিপ্ৰেক্ষিতত কালি হ'বলগীয়া মণিপুৰ বিধানসভাৰ অধিৱেশনো বাতিল কৰা হৈছিল।

০০০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই কালি ৰাজভৱনৰ পৰা ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে সকলো জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ সৈতে বৈঠকত মিলিত হয়। ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাৰ উপস্থিতিত ৰাজ্যপালগৰাকীয়ে ৰাজ ভৱনে শেহতীয়াকৈ গ্ৰহণ কৰা ৮ খন আঁচনিৰ ৰূপায়ণৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ সন্দৰ্ভত জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ লগত সংগতি ৰাখি ৰাজ্যপাল বিশেষ অসম প্ৰতিভা উৎসাহমূলক যোজনা, বিশ্বকৰ্মা সন্মান, ৰাষ্ট্ৰীয় কৃতজ্ঞতা তথা জাগৰণ যোজনা, অমৃত সৰোবৰ-সদভাৱনা সংগত যোজনা আদিকে ধৰি ৮ খন আঁচনি গ্ৰহণ কৰিছিল। শ্ৰীআচাৰ্যই জিলা আয়ুক্তসকলক জনসাধাৰণৰ কল্যাণৰ হকে এই উন্নয়নমূলক কাৰ্যসূচীসমূহ সঠিকভাৱে ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। ০০০০০

০০০০০০

নগাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ে প্ৰথমবাৰৰ বাবে আজিৰে পৰা দুদিনীয়াকৈ শৈক্ষিক মেলাৰ আয়োজন কৰিছে। বিশ্ববিদ্যালয়খনত আয়োজিত এখন সংবাদমেলত কালি পঞ্জীয়ক ড০ শৰৎ হাজৰিকাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে দেশৰ আগশাৰীৰ ১৫ খন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ে এই মেলাত অংশ

ল'ব। আজি দিনৰ ১০ বজাত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই শিক্ষা মেলাখন মুকলি কৰিব। মেলাৰ অংশ হিচাপে তিনিখন আলোচনাসত্ৰৰ আয়োজন কৰা হৈছে বুলি পঞ্জীয়কগৰাকীয়ে প্ৰকাশ কৰে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ দানৰ বাবে আয়োজিত এই মেলাত ফেশ্বন ডিজাইনিং, এনিমেছন, বিমান পৰিবহন, পৰ্যটনকে ধৰি বিভিন্ন নতুন পাঠ্যক্ৰম সম্পৰ্কে আভাস দিয়া হ'ব। মেলাৰ আয়োজক সমিতিয়ে ৰাজ্যৰ কেইবাখনো মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ লগতে ব্যক্তিগত শিক্ষানুষ্ঠানকো এই মেলালৈ আমন্ত্ৰণ জনাইছে।

oooooo

গোৱালপাৰা জিলাৰ শ্ৰীশ্ৰী সূৰ্যপাহাৰত আজিৰে পৰা ৯ দিনীয়াকৈ বিষ্ণু যজ্ঞ আৰু মেলাৰ আয়োজন কৰা হৈছে। বিশ্ব শান্তি কামনাৰে মাঘী পূৰ্ণিমা উপলক্ষে আয়োজিত এই যজ্ঞ আৰু মেলাৰ ১৯ ফেব্ৰুৱাৰীত সামৰণি পৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কেইবাটাও ধৰ্মীয় আৰু সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি পুৱা ধৰ্ম ধবজা উত্তোলন, বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ, গ্ৰন্থ মেলাৰ দ্বাৰ মুকলি আৰু গ্ৰন্থ উন্মোচন, চিত্ৰাংকণ প্ৰতিযোগিতাকে ধৰি কেইবাটাও কাৰ্যসূচী লোৱা হ'ব। কাইলৈ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে এই মেলা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰাৰ কথা বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে হিন্দু, বৌদ্ধ আৰু জৈন ধৰ্মৰ মিলনভূমি শ্ৰীশ্ৰী সূৰ্যপাহাৰলৈ বছৰৰ প্ৰতিটো দিনতে অগণন লোকৰ আগমন ঘটে যদিও মাঘী পূৰ্ণিমা উপলক্ষে আয়োজিত এই কাৰ্যসূচীত লক্ষ্যাধিক লোকৰ সমাগম হয় বুলি আমাৰ সংবাদদাতাই জনাইছে।

oooooo

সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা শাখাৰ উদ্যোগত কাইলৈ জিলাখনৰ ধেমেচি কলালোৰ কোচগাঁৱৰ ৰাস ৰংগমঞ্চত দিনজোৰা কাৰ্যসূচীৰে বীৰ চিলাৰায়ৰ ৫১৫ সংখ্যক জয়ন্তী পালন কৰা হ'ব। কাইলৈ পুৱা ৭ বজাত মাৰাথানেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব। ইয়াৰ পাছতে কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ পতাকা উত্তোলন আৰু মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰা হ'ব। দিনৰ ভাগত সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। ইয়াৰ পাছতে হ'বলগীয়া মুকলি সভাত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

oooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰীক্ষা পে চৰ্চা কাৰ্যসূচীৰ জৰিয়তে দেশৰ ভিন্ন প্ৰান্তৰ ছাত্ৰ ছাত্ৰী, শিক্ষক- শিক্ষয়ত্ৰী তথা অভিভাৱক সকলৰ সৈতে মত বিনিময় কৰে। পৰীক্ষাৰ সময়ছোৱাত সকলো ধৰণৰ মানসিক চাপৰ পৰা মুক্ত হৈ ভৱিষ্যতৰ বাবে প্ৰস্তুত হ'বলৈ তেওঁ ছাত্ৰ-ছাত্ৰী সকলকৰ প্ৰতি বিভিন্ন পৰামৰ্শ আগবঢ়ায়। এই বাতৰিটো আজি গুৱাহাটীৰ প্ৰকাশিত বাতৰিকাকতসমূহে প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে।

এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ বাবে বিনিয়োগকাৰী সকলক আকৰ্ষিত কৰাৰ উদ্দেশ্য মুখ্য মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা চিংগাপুৰলৈ যোৱাৰ বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে দৈনিক জনমভূমি, আমাৰ অসম আদি প্ৰায় আটাইকেইখন কাকতে প্ৰকাশ কৰিছে।

বিজেপিৰ সাংসদ দিলীপ শইকীয়াই  চীনৰ তিববতৰ ব্ৰহ্মপুত্ৰৰ উপৰিভাগৰ বিশ্বৰ সৰ্ববৃহৎ নদীবান্ধ নিৰ্মাণৰ কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ দাবী কৰাৰ এটা গুৰুত্ব পূৰ্ণ বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যত পঞ্জীয়নভুক্ত নিৱনুৱাৰ সংখ্যা ৩৬ লাখলৈ বৃদ্ধি হোৱা বুলি নিয়োগ বিনিময় কেন্দ্ৰই তথ্য প্ৰকাশ কৰাৰ এটা উদ্বেগজনক  বাতৰি দৈনিক অগ্ৰদূত কাকতে শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

পুৰণি বাহন স্ক্ৰেপ কৰি নতুন ব্যক্তিগত বাহন ক্ৰয় কৰোতালৈ  পৰিবহণ বিভাগে ২৫ শতাংশ কৰ ৰেহাইৰ ঘোষণা কৰাৰ এটা বাতৰি অসমীয়া খবৰ কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ত্ৰিবেণী সংগমত পবিত্ৰ স্থান আৰু পূজা অৰ্চনা কৰাৰ বাতৰিটো দি আছাম ট্ৰিবিউন কাকতখনে  MAHAKUMBH : PRESIDENT TAKES HOLY DIP AT SANGAM শিৰোনামেৰে প্ৰকাশ কৰিছে।

উত্তৰ-পূৰ্বাঞ্চলত পথ আন্তঃগাঁথনি উন্নত কৰাৰ উদ্দেশ্যে ড'নাৰ মন্ত্ৰালয়ে তিনিটা প্ৰকল্পৰ বাবে প্ৰস্তাৱ দিয়া এটা বাতৰি দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এমাজনৰ ক্ৰক'ডাইল কেটফিছে থলুৱা মৎস্যকুললৈ সংকটৰ সৃষ্টি কৰি ৰাজ্যৰ নদী-জলাশয়সমূহত বিয়পি পৰাৰ এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে।

দিব্যাংগ প্ৰাৰ্থীক চাকৰি দিয়াৰ নামত লাখে লাখে টকা সংগ্ৰহ কৰা দিব্যাংগ সংগঠনৰ দুজন নেতাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

oooooo

ধেমাজিৰ যুৱ লেখক, সংগঠক কল্পজিত সোণোৱাললৈ সোণোৱাল-কছাৰী সাহিত্য সভাই চলিত বছৰৰ যুৱ-সাহিত্য বঁটা আগবঢ়াইছে। ধেমাজি জিলাৰ গোগামুখৰ যুৱক সোণোৱালে কেইবাখনো গ্ৰন্থ ৰচনাৰে সাহিত্য ক্ষেত্ৰলৈ বৰঙণি যোগাইছে। সভাই লগতে কিৰণময় শইকীয়াকো সাহিত্য বঁটা প্ৰদান কৰে।

oooooo

তিনিচুকীয়া জিলাৰ ডিগবৈ সামূহিক চিকিৎসা কেন্দ্ৰত জনসাধাৰণৰ বাবে বিনামূলীয়া ডায়েলাইছিছ সেৱা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্য চৰকাৰৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান তথা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ তত্বাৱধানত প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় ডায়েলাইছিছ  আঁচনিৰ অন্তৰ্ভুক্ত তথা চৰকাৰী-বেচৰকাৰী উদ্যোগত এপ'লো ডায়েলাইছিছ ক্লিনিকৰ জৰিয়তে কালি এই সেৱা ৰাইজৰ বাবে মুকলি কৰা হয়। এই সেৱাৰ জৰিয়তে অঞ্চলটোৰ বহুতো ৰোগী উপকৃত হ'ব বুলি আশা কৰা হৈছে।

oooooo

অহা ৪, ৫ আৰু ৬ এপ্ৰিলত ঢকুৱাখনাত হ'বলগীয়া ৫৫ সংখ্যক অসম বিজ্ঞান সমিতিৰ ৰাজ্যিক অধিৱেশনৰ স্মাৰক গ্ৰন্থৰ বাবে বিজ্ঞানৰ সৈতে জড়িত বিভিন্ন বিষয়ত লেখা বিচৰা হৈছে। লেখক-লেখিকাসকলে বিজ্ঞান-প্ৰযুক্তিৰ পৰিৱেশ, বিজ্ঞানৰ শেহতীয়া আৱিষ্কাৰ আদি বিভিন্ন বিষয়ত এহেজাৰ শব্দৰ ভিতৰত লেখা প্ৰেৰণ কৰিব পাৰিব। লেখাসমূহ অহা ২৮ ফেব্ৰুৱাৰীৰ ভিতৰত পোৱাকৈ সম্পাদক, মাৰফৎ ঃ

গগৈ বাৰ্ডাৰ্ছ, ঢকুৱাখনা চাৰিআলি, ঢকুৱাখনা-৭৮৭০৫৫ ঠিকনাত অথবা BURAGOHAIN INDIBOR@GMAIL.COM যোগে প্ৰেৰণ কৰিব পাৰিব। লেখাসমূহ ৯৯৫৪৯-৭৯৪৩৮ নম্বৰলৈও প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ মহিলা দলে নেট বলৰ চেমিফাইনেলত প্ৰৱেশ কৰিছে। অসম দলৰ ছিফ দ্যা মিছন অভিজিৎ ভট্টাচাৰ্যই আকাশবাণী গুৱাহাটীক এই বিষয়ে অৱগত কৰিছে। উল্লেখযোগ্য যে অসমৰ মহিলা  নেট বল দলটোৱে পোন প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশগ্ৰহণ কৰি চেমিফাইনেললৈ আগবাঢ়ি যোৱাৰ সফলতা অৰ্জন কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিক ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে। অহা ২৪ ঘণ্টাত অৰুণাচলত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

আনহাতে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে প্ৰকাশ কৰা প্ৰদূষক সূচকৰ সূচকাংক মান অনুসৰি গুৱাহাটীৰ ২১৯, নলবাৰী ২৫০, নগাঁৱৰ ১৬১, শিৱসাগৰৰ ৭৯ আৰু শিলচৰৰ ৬৯ বুলি উল্লেখ কৰিছে।

০০০০০০

সমাপ্ত